# অধ্যায় ১১ ঃ আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ

## অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১২.২ পৰিচয়
১১.৩ স্থানীয় শিক্ষা ব্যৱস্থা
১১.৪ ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ শিক্ষা নীতি
১১.৫ মিচনেৰীসকলৰ অৱদান
১১.৬ আধুনিক ভাৰতীয় শিক্ষাবিদ সকলৰ অৰিহনা
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আদৰ্শ প্ৰশ্নাৱলী

## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপনিবেশিক শাসনৰ আগমণৰ আগতে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ঔপনিবেশিক প্ৰশাসনে ভাৰতৰ শিক্ষা ব্যৱস্থালৈ অনা পৰিৱৰ্তনৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- ভাৰতত শিক্ষাৰ বিস্তাৰত খ্ৰীষ্টান মিচনেৰী সকলৰ অৱদানৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব, আৰু
- আধুনিক ভাৰতীয় শিক্ষাবিদসকলৰ অৱদানৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মুদ্ৰা আৰু বেংকিং ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়ত আমি আধুনিক শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম, য'ত অন্তৰ্ভুক্ত হৈ আছে স্থানীয় আৰু ঔপনিবেশিক শিক্ষা ব্যৱস্থা।

## ১১.৩ স্থানীয় শিক্ষা ব্যৱস্থা

মুছলীম মোক্তাব আৰু মাদ্ৰাছা, হিন্দু পাঠশালা, বেংগলৰ টোলসমূহ, দক্ষিণ ভাৰতৰ আগ্ৰহৰ সমূহৰ দ্বাৰা (Agraharas) স্থানীয় শিক্ষা ব্যৱস্থাৰ গঠিত হৈছিল। এই অনুষ্ঠান সমূহত শিক্ষাৰ মাধ্যম আছিল সংস্কৃত, বেংগলী, হিন্দী, উৰ্দু, পাৰ্চি, তেলেগু, তামিল ইত্যাদি।

উচ্চ শিক্ষা প্ৰদানৰ ব্যৱস্থা মাদ্ৰাচা আৰু অন্যান্য উচ্চ শিক্ষাৰ কেন্দ্ৰ সমূহত বিৰাজ কৰিছিল। ভাৰতৰ জনগণৰ শিক্ষাগত প্ৰয়োজনীয়তা পূৰণত এই অনুষ্ঠান সমূহৰ গুৰুত্বক কম মূল্যাংকণকৰিব নোৱাৰি। অসন্তোষজনক বিত্তীয় অৱস্থাৰ বাবে এই অনুস্থানসমূহৰ ক্ৰমান্বয়ে পতন ঘটিছিল। ইয়াৰ বেছিভাগেই মন্দিৰ, ব্যক্তিগত বাসস্থান আৰু জুপুৰি (Shed) আৰু শিক্ষক সকলৰ নিজৰ ঘৰত অনুষ্ঠিত হৈছিল।

এই শিক্ষা অনুষ্ঠানসমূহৰ নিৰন্তৰতা নাছিল আৰু স্থানীয় দাবীৰ অনুযায়ী বা অভাৰত হঠাতে আৱিৰ্ভাব হৈছিল আৰু অন্তৰ্ধানো হৈছিল। নিয়ম অনুসৰি, তেওঁলোকৰ কাৰ্যত সাম্প্ৰদায়িক নাছিল আৰু বিদ্যালয়ৰ খৰচ বহন কৰিব পৰা সকলোলৈকে বিদ্যালয়ৰ দুৱাৰ মুক্ত আছিল। বেছিভাগ শিক্ষক ব্ৰাহ্মণ আছিল আৰু নগদ ধন বা বস্তুৰ লোভৰ কাৰণে শিক্ষক বৃত্তি গ্ৰহণ কৰা নাছিল।

থলুৱা স্থানীয় বিদ্যালয়ৰ ছাত্ৰসমূহ বিভিন্ন সম্প্ৰদায়ৰ পৰা আহিছিল যদিও উচ্চ শ্ৰেণীৰ ল'ৰা ছোৱালীৰ সংখ্যাগৰিষ্ঠতা আছিল। এই বিদ্যালয়সমূহে প্ৰাথমিক পঢ়া, লিখা আৰু গণিতৰ শিক্ষা দিছিল। এই অনুষ্ঠানসমূহ ৰাজহুৱা শিক্ষাৰ বিস্তাৰৰ প্ৰধান কেন্দ্ৰ আছিল।

বিদ্যালয়ৰ আকাৰ সাধাৰণতে সৰু আছিল। তাত নামভৰ্তিৰ কোনো নিয়মীয়া সময় নাছিল। বছৰৰ যিকোনো সময়তে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত যোগ দিব পাৰিছিল আৰু নিজৰ অধ্যয়নৰ গতিৰ হাৰ (pace) অনুসৰণ কৰিব পাৰিছিল। স্থানীয় শিক্ষা ব্যৱস্থাৰ প্ৰধান গুণ আছিল থলুৱা পৰিৱেশৰ লগত ই খাপ খাই পৰিছিল আৰু ভিন্ন অৰ্থনৈতিক অৱস্থাত বৰ্তি থাকি জনপ্ৰিয়তা অৰ্জন কৰিছিল। সাধাৰণতে শিক্ষকসকলৰ প্ৰশিক্ষণ আৰু গভীৰ শিক্ষাৰ অভাৱ, সীমিত পাঠ্যক্ৰম আৰু কঠোৰ শাস্তি প্ৰদান আদি স্থানীয় শিক্ষা ব্যৱস্থাৰ ত্ৰুটি আৰু কিছু আঁসোৱাহ আছিল।

ব্ৰিটিছ চৰকাৰে স্থানীয় শিক্ষা ব্যৱস্থা মষিমূৰ কৰিছিল, যি স্মৰণাতীত সময়ৰে পৰা আমাৰ দেশত বৰ্তি আছিল। ক্ৰমান্বয়ে, স্থানীয় বিদ্যালয়সমূহ হ্ৰাস হৈছিল আৰু কিছুমান নতুন বিদ্যালয়ে ভুমুকি মাৰিছিল।

ভাৰতত শিক্ষাৰ প্ৰসাৰত খ্ৰীষ্টান মিচনেৰী সকলৰ প্ৰচেষ্টাক আৰোপ কৰিব পাৰি। তেওঁলোকৰ প্ৰাৰম্ভিক কাৰ্যকলাপ প্ৰধানকৈ প্ৰাথমিক শিক্ষাত সীমাবদ্ধ আছিল। দেশৰ বিভিন্ন অংশত তেওঁলোকে প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল। তেওঁলোকে স্থাপন কৰা বিদ্যালয়সমূহৰ প্ৰকৃতি আৰু বৈশিষ্ট্য যিয়েই নহওক কিয়, এই বিষয়টো অস্বীকাৰ কৰিব নোৱাৰি যে তেওঁলোকে দেশৰ শিক্ষা ব্যৱস্থাত এক নতন স্তৰ/পৰ্যায়ৰ আৰম্ভণী কৰিছিল, যি দেশত বিৰাজ কৰি থকা শিক্ষা ব্যৱস্থাৰ ওপৰত এক সজীৱ প্ৰভাৱ বিস্তাৰ কৰিছিল।

## ১১.৪ ঔপনিৱেশিক শাসনৰ সময়চোৱাৰ শিক্ষা নীতি

বৃটিছ যুগত ভাৰতত আধুনিক শিক্ষা ব্যৱস্থা পৰম্পৰাগত স্থানীয় শিক্ষা ব্যৱস্থাৰ বিনিময়ত প্ৰতিষ্ঠা কৰা হৈছিল। ৰাজনৈতিক সংঘাত, এক শক্তিশালী কেন্দ্ৰীয় ৰাজনৈতিক কৰ্তৃপক্ষৰ অভাৱ

আৰু গ্ৰহণযোগ্য পৃষ্ঠপোষকতাৰ অভাৱৰ বাবে স্থানীয় শিক্ষা ব্যৱস্থা ক্ৰমান্বয়ে হ্ৰাস পাইছিল আৰু বিপৰ্যয়ৰ সন্মুখীন হৈছিল।

ব্ৰিটিছ যুগত শিক্ষা ব্যৱস্থাৰ বিকাশ ঔপনিবেশিক শক্তিৰ প্ৰয়োজনীয়তাৰ দ্বাৰা নিৰ্ধাৰিত হৈছিল।

১৭৬৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানী বেংগলৰ এক শাসক শক্তিত পৰিণত হৈছিল। ৱাৰেন হেষ্টিংচ নিজে এজন বুদ্ধিজীৱি আছিল, ১৭৮১ চনত পাৰ্চী আৰু আৰৱী ভাষা অধ্যয়ণৰ বাবে কলিকতা মাদ্ৰাচা প্ৰতিষ্ঠা কৰিছিল। ১৭৯১ চনত, জোনাথন ডানকেনৰ (Jonathan Duncan) প্ৰচেষ্টাৰ ফলত আইন, সাহিত্য আৰু হিন্দুৰ ধৰ্মীয় শিক্ষাৰ কাৰণে বেনাৰচত এক সংস্কৃত কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। ইংৰাজ ন্যায়াধীশৰ সৈতে পৰামৰ্শদাতা(assessors)ৰ আৱশ্যকতাৰ বাবে ন্যায়িক বিভাগত সংস্কৃত, আৰবী, পাৰ্চী ভাষাত জ্ঞান থকা ভাৰতীয় লোকসকলৰ প্ৰয়োজনীয়তা বৃদ্ধি হৈছিল। ভাৰতৰ প্ৰাদেশিক শাসকসকলৰ ৰাজনৈতিক বিভাগসমূহৰ সৈতে যোগাযোগ কৰাৰ বাবে পাৰ্চী আৰু আৰু মাতৃ ভাষাৰ জ্ঞানক মূল্য দিছিল। ৰাজহ আৰু বাণিজ্য বিভাগৰ কেৰাণীসকলে অশিক্ষিত জনগণৰ লগত সংযোগ আছিল আৰু তেওঁলোকৰ কাৰণে স্থানীয় ভাষাৰ জ্ঞান বাধ্যতামূলক আছিল।

১৮১৩ চনৰ চনদ আইন ভাৰতৰ শিক্ষাৰ ইতিহাসত এক নিৰ্ণায়ক মুহূৰ্ত আছিল। এই আইনে শিক্ষাৰ প্ৰসাৰ কোম্পানীৰ দায়িত্বৰ ভিতৰত নিশ্চিতভাৱে অন্তৰ্ভুক্ত কৰিছিল। প্ৰথমবাৰৰ বাবে ব্ৰিটিছ গৱৰ্ণৰ জেনেৰেল পৰিষদে এক লাখ (কিন্তু এক লাখতকৈ কম নহয়) পৰিমাণৰ ধন শিক্ষাৰ বাবে ধাৰ্য কৰা হৈছিল। এই আইনে দুটা প্ৰধান পৰিৱৰ্তন আনিছিল, এটা আছিল স্থানীয় শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰা আৰু আনটো আছিল ভাৰতত মিচনেৰী কাৰ্যকলাপৰ ওপৰত নিয়ন্ত্ৰণ শিথিল কৰা। ১৮১৩ চনৰ চনদ আইনৰ ৪৩ নং দফাত কিন্তু এই উদ্দেশ্য লাভ কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলগা পদ্ধতিৰ কোনো নিৰ্দেশনা নাছিল।

১৮১৩ চনৰ চনদ আইনৰ ৪৩নং দফাৰ অস্পষ্টতাই ভাৰতত প্ৰাচ্য আৰু পাশ্চাত্যৰ শিক্ষাৰ বাদানুবাদ গভীৰ কৰিছিল। এটা দল প্ৰাচ্য তত্ববিদ আছিল যি ভাৰতীয় শিক্ষা সংস্কৃত, আৰৱী আৰু পাৰ্চী ভাষাৰ মাধ্যমৰ যোগেদি বিকশিত হোৱাটো বিচাৰিছিল আৰু আনটো দল আছিল ইংৰাজীকৰণ কৰা যি ভাৰতত ইংৰাজী মাধ্যমৰ যোগেদি পশ্চিমীয়া শিক্ষাৰ বিকাশৰ পোষকতা কৰিছিল। চনদ আইনৰ দ্বাৰা ধাৰ্য কৰা ধনখিনি মতবিৰোধৰ কাৰণে ১৮২৩ চনলৈকে খৰচ নকৰাকৈ আছিল। সেইকাৰণে ১৮১৩ চনৰ চনদ আইনৰ অনুমোদন ১৮২৩ চনলৈকে বিলম্ব হৈছিল যেতিয়া গৱৰ্ণৰ জেনেৰেলৰ পৰিষদে ভাৰতৰ শিক্ষাৰ বিকাশৰ বাবে বেংগল প্ৰেচিডেন্সীৰ কাৰণে এখন (General Committee of Public Instruction) ৰাজহুৱা শিক্ষাৰ সাধাৰণ সমিতি গঠন কৰিছিল। প্ৰাচ্যতত্ববিদ/পাশ্চাত্যবিদ বিতৰ্কৰ পৰিণতি স্বৰূপে, ভাৰতত শিক্ষাৰ বিস্তাৰ ১৮৩৫ চনলৈকে থমকি ৰৈছিল। ১৮৩৫ চনত মেকলেৰ প্ৰস্তাৱে বৃটিছ শিক্ষা নীতিৰ ক্ষেত্ৰত এক স্পষ্ট ছবি দাঙি ধৰিছিল। চনদ আইন অৱশেষত ১৮৩৩ চনত আৰু ২০বছৰৰ কাৰণে

নৱীকৰণ কৰা হৈছিল। এই আইনৰ দ্বাৰা বেংগলৰ গৱৰ্ণৰ জেনেৰেলৰ কাৰ্যবাহী পৰিষদত এজন আইনী সদস্যক নিযুক্ত কৰা হৈছিল। মেকলে আছিল প্ৰথম আইনী সদস্য।

মেকলে ইংৰাজী ভাষাৰ বিৰুদ্ধে আৰবী আৰু সংস্কৃতৰ দাবীক অগ্ৰাহ্য কৰিছিল কিয়নো তেওঁ ইংৰাজী ভাষাক আধুনিক শিক্ষাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছিল।

এই লিখিত টোকাত (Minutes) তেওঁ উল্লেখ কৰিছিল যে ব্ৰিটিছ চৰকাৰৰ প্ৰধান লক্ষ্য আছিল ভাৰতীয়সকলৰ মাজত ইউৰোপীয় সাহিত্য আৰু বিজ্ঞানৰ প্ৰসাৰ কৰা শিক্ষাৰ বাবে আবণ্টিত সকলো ধন ইংৰাজী মাধ্যমৰ যোগেদি সেই উদ্দেশ্যত খৰচ কৰা। তেওঁৰ লিখিত টোকাই অৱশেষত ভাৰতত শিক্ষাৰ লক্ষ্য, মাধ্যম, নীতি স্থিৰ কৰিছিল ।

অৱশেষত, মেকলেই তেওঁৰ ১৮৩৫ৰ লিখিত টোকাত বৃটিছ ৰাজৰ সমৰ্থনত এক শিক্ষা নীতি আৰম্ভ কৰিছিল যি ভাৰতীয় ভাষা আৰু জ্ঞানক অৱহেলা কৰিছিল আৰু ঔপনিবেশিক নিৰ্দেশৰ (শিক্ষা নহয়) মাধ্যম হিচাপে ইংৰাজীৰ নেতৃত্বৰ প্ৰভাৱ প্ৰতিস্থা কৰিছিল।

১৯ শ শতিকাৰ আৰম্ভণিত ব্ৰিটিছ শাসকসকলৰ লক্ষ্য আছিল চৰকাৰৰ প্ৰতি আনুগত্য ভাব ৰখা ভাৰতীয় লোকসকলৰ এটা গোট সৃষ্টি কৰা। এই লক্ষ্যত উপনীত হোৱাৰ বাবে পৰিশ্ৰাৱণ তত্বৰ দ্বাৰা উচ্চ শ্ৰেণীৰ লোকসকলক শিক্ষিত কৰাৰ চেষ্টা কৰিছিল। এই তত্বৰ মতে, 'Education was to permeate the masses from above...'। উচ্চ শ্ৰেণীৰ লোকসকলক শিক্ষিত কৰি তোলাৰ পিছত, জনগণক শিক্ষিত কৰি তোলাৰ দায়িত্ব চৰকাৰে তেওঁলোকৰ ওপৰত ন্যস্ত কৰিছিল।

চৰকাৰে জনগণক শিক্ষিত কৰিবলৈ পৰ্যাপ্ত ধন পোৱা নাছিল। বৃটিছ শাসকসকলক বাণিজ্য আৰু প্ৰশাসন চলাবলৈ শিক্ষিত কৰ্মচাৰীৰ প্ৰয়োজন। বৃটিছৰ ধাৰাত (line) ইংৰাজী মাধ্যমৰ যোগেদি শিক্ষা লাভ কৰা শিক্ষিত লোকসকলে চৰকাৰী সেৱাত নিযুক্ত লাভ কৰিব আৰু ইয়াৰ ফলত তেওঁলোকে জনসাধাৰণক নিয়ন্ত্ৰণ কৰিবলৈ নিজৰ প্ৰভাৱ ব্যৱহাৰ কৰিব।

১৯৫৪ চনত 'Wood's Educational Despatch' (চাৰ্লচ উদৰ নামাকৰণ) বলৱৎ কৰা হৈছিল। ই কোম্পানী চৰকাৰৰ শিক্ষা নীতি থিৰাং কৰিছিল। ঘোষণাপত্ৰৰ উদ্দেশ্য 'কেৱল উচ্চ মাত্ৰাৰ বুদ্ধিজীৱী সৃষ্টি কৰাই নহয় লগতে নৈতিক চৰিত্ৰ বৃদ্ধি কৰা আৰু কৰ্মচাৰী যোগান ধৰা।' শিক্ষাৰ কাৰ্যাৱলী আছিল ইউৰোপীয় কলা, দৰ্শন, বিজ্ঞান আৰু সাহিত্যৰ জ্ঞান বিস্তাৰিত কৰা। ইউৰোপীয় জ্ঞানৰ বিস্তাৰৰ কাৰণে ইংৰাজী আৰু মাতৃ ভাষা মাধ্যম হ'ব।

ঘোষণাপত্ৰৰ তাৎক্ষণিক ফলাফল আছিল ১৮৫৭ চনৰ তিনিখন বিশ্ববিদ্যালয় আইন প্ৰণয়ন কৰি কলিকতা, মাদ্ৰাজ আৰু বোম্বেত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা আৰু ব্ৰিটিছ ভাৰতৰ প্ৰতিখন প্ৰদেশতে এটা শিক্ষা বিভাগ সৃষ্টি কৰা হৈছিল।

১৮৮২ চনৰ ভাৰতৰ শিক্ষা আয়োগে প্ৰত্যক্ষ কাৰ্যৰ (enterprise) পৰা চৰকাৰক সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিবলৈ আৰু সকলো প্ৰাথমিক বিদ্যালয় স্থানান্তৰ কৰি স্থানীয় স্বায়ত্ব শাসিত নিকায়ৰ যেনে পৌৰসভা আৰু স্থানীয় ব'ৰ্ড নিয়ন্ত্ৰণলৈ আনিবলৈ অনুমোদন জনাইছিল

এনেকৈয়ে ই চৰকাৰক শিক্ষাৰ প্ৰতি থকা তেওঁলোকৰ দায়িত্বৰ পৰা মুক্ত কৰিছিল। আয়োগৰ প্ৰধান অনুমোদন সমূহ—

- প্ৰাথমিক শিক্ষাক জনসাধাৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শিক্ষাৰ অগ্ৰাধিকাৰ পৰিসৰ হিচাপে ঘোষণা কৰি স্থানীয় বিদ্যালয় সমূহক প্ৰাথমিক শিক্ষা প্ৰসাৰৰ কৰা উৎসাহিত আৰু সমৰ্থন কৰা।
- স্থানীয় ভাষাক শিক্ষাৰ মাধ্যম হিচাপে নিৰ্বাচন কৰাত পৰিচালনা সমিতিৰ স্বাধীনতা স্থানীয় প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰিব।
- ইংৰাজী ভাষা শিকিবলৈ অনুদানৰ ভিত্তিত মাধ্যমিক বিদ্যালয় চৰকাৰে প্ৰতিস্থা কৰা, আৰু স্থানীয় থলুৱা জনগণৰ সহায়ত সমৰ্থনত প্ৰাথমিক বিদ্যালয় স্থাপন কৰা
- শিক্ষাৰ মানদণ্ড আৰু গুণাগুণ বৰ্তাই ৰখাটো বিবেচনা কৰি সকলো চৰকাৰী মাধ্যমিক বিদ্যালয় স্থানীয় পৰিচালনা সমিতিলৈ ক্ৰমান্বয়ে হস্তান্তৰিত কৰা।
- মাধ্যমিক শিক্ষাক দুটা শাখাত ভাগ কৰা এটাই বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষালৈ আগুৱাই নিছিল আৰু আনটো ছাত্ৰ-ছাত্ৰীক বাণিজ্যিক চাকৰিৰ কাৰণে প্ৰস্তুত কৰিবলৈ বেছি ব্যৱহাৰিক বৈশিষ্ট্য।

  ভাৰত চৰকাৰে ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অৱস্থা আৰু সম্ভাৱনা/প্ৰত্যাশাৰ অনুসন্ধান কৰিবলৈ লিডচ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মাইকেল চেদলাৰৰ অধ্যক্ষতাত কলিকতা বিশ্ববিদ্যালয় আয়োগ নিযুক্তি দিছিল। আয়োগৰ প্ৰধান অনুমোদন সমূহ আছিল ঃ
- বিশ্ববিদ্যালয়ৰ মধ্যৱৰ্তী শ্ৰেণীসমূহ মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানলৈ হস্তান্তৰিত কৰিব লাগে।
- এক সন্মানীয় পাঠ্যক্ৰমৰ ব্যৱস্থাৰে বিশ্ববিদ্যালয়ৰ প্ৰথম উপাধি (degree) কাৰণে স্নাতক পাঠ্যক্ৰমৰ সময় তিনিবছৰলৈ বৃদ্ধি কৰা উচিত।
- ই অনুমোদন জনোৱা ধাৰাত উচ্চ মাধ্যমিক বিদ্যালয় আৰু মধ্যৱৰ্তী শিক্ষাৰ উদ্দেশ্য আৰু মেট্ৰিক আৰু মধ্যৱৰ্তী পৰীক্ষা অনুষ্ঠিত কৰিবলৈ মাধ্যমিক আৰু মধ্যৱৰ্তী শিক্ষাৰ এক বৰ্ড স্থাপন কৰিব লাগে।
- ১৯১৯ বৰ্ষত ভাৰত চৰকাৰে 'ভাৰত চৰকাৰ আইন, ১৯১৯' নামে জনাজাত এক প্ৰস্তাৱ গ্ৰহণ কৰিছিল যাক অন্য প্ৰকাৰে মণ্টেগু-চেমচফৰ্ড সংস্কাৰ আইন নামে জনা যায়। স্থানীয় শিক্ষা ভাৰতীয় মন্ত্ৰীক দিয়া হৈছিল।

১৯১৯ বৰ্ষত ভাৰত চৰকাৰ আইন (১৯১৯) প্ৰস্তাৱ গ্ৰহণ কৰিছিল। যাক মণ্টেগু চেমচৰ্ফড সংস্কাৰ আইন নামেৰেও জনাজাত। এই আইনৰ দ্বাৰা স্থানীয় শিক্ষাৰ দায়িত্ব ভাৰতীয় মন্ত্ৰীসকলক দিয়া হৈছিল, কিন্তু ইয়াৰ ক্ৰটিৰ বাবে শিক্ষা ব্যৱস্থাৰ অৱসান ঘটিছিল। বিত্তীয় বিভাগ ব্ৰিটিছ নিয়ন্ত্ৰণত থকাৰ ফলত ভাৰতীয় শিক্ষা ব্যৱস্থা ধনৰ অভাৱত ক্ষতিগ্ৰস্ত হৈছিল।

১৯২৯ চনৰ হাৰ্টগ সমিতিয়ে ভাৰতীয় শিক্ষাত গতিহীনতা আৰু ক্ষতিসমূহ দেখা দিয়া বুলি মন্তব্য কৰিছিল।

## ১১.৫ মিচনেৰী সকলৰ অৱদান

আদৰ্শগতভাৱে খ্ৰীষ্টান মিচনেৰীসকলে শিক্ষাৰ যোগেদি স্থানীয় অভ্যাস আৰু আচৰণ যাক তেওঁলোকে অসভ্য বুলি বিবেচনা কৰিছিল যেনে মূৰ্তি পূজা, বহু দেৱ-দেৱীৰ ওপৰত বিশ্বাস, ধৰ্মীয় গোড়ামী, বহুবিবাহ আৰু বহুতো অন্ধবিশ্বাস বিলোপ কৰাৰ লক্ষ্য কৰিছিল । তেওঁলোক লক্ষ্য আছিল স্থানীয় লোকক ধৰ্মান্তৰিত কৰা আৰু স্থানীয় ধৰ্মক তুচ্চ প্ৰতিপন্ন কৰা। খ্ৰীষ্টান মিচনেৰীৰ বিদ্যালয়সমূহত বাইবেল হৈ পৰিছিল নিয়মীয়া পাঠৰ মান।

ঔপনিবেশিক চৰকাৰৰ অধীনত ভাৰতীয়সকলে কৰ্মসংস্থাপন লাভ কৰাৰ বাবে শিক্ষা অনুসৰণ কৰাৰ একমাত্ৰ প্ৰধান উদ্দেশ্য আছিল। ইয়েই খ্ৰীষ্টান মিচনেৰী বিদ্যালয়সমূহক তেওঁলোকৰ বিদ্যালয়ৰ বেছিভাগ সময় আধ্যাত্মিক আৰু ধৰ্মীয় ক্ষেত্ৰত লিপ্ত হোৱাতকৈ পৰীক্ষাৰ প্ৰস্তুতিৰ ক্ষেত্ৰত অৰ্পন কৰিছিল। এইটোৰ বাহিৰেও খ্ৰীষ্টান মিচনেৰীসকলে বিদ্যালয় পৰিচালনা কৰিববৈলে চৰকাৰী ধনৰ ওপৰত বেছিকৈ নিৰ্ভৰ কৰিব লগা হৈছিল। চৰকাৰী ধন লাভ কৰিববৈলে চৰকাৰে বিধান দিয়া পাঠ্যক্ৰম অনুসৰণ কৰাটো বিদ্যালয়সমূহৰ কাৰণে বাধ্যতামূলক আছিল। চৰকাৰী ধন সাহাৰ্য লাভ কৰা যিকোনো মিচনেৰী বিদ্যালয়েই ছাত্ৰ-ছাত্ৰীক ধৰ্মীয় শিক্ষা গ্ৰহণ কৰিববৈলে জোৰ দিব নোৱাৰিব। চৰকাৰী নীতি নিয়মৰ লগত সংগতি/মিল ৰখাৰ ক্ষেত্ৰত এই বিদ্যালয়সমবহ নিয়মীয়াভাৱে চৰকাৰী এজেন্সীৰ দ্বাৰা পৰিদৰ্শন কৰা হৈছিল।

ছাত্ৰ-ছাত্ৰীক খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিববৈলে সন্মত কৰাত বিফলতা, বিদ্যালয় পৰিচালনাত সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ আৰু ব্ৰিটেইনৰ পৰা মিচনেৰী কাৰ্যকলাপৰ নিভাজ নিৰ্ভৰযোগ ফলাফল প্ৰদৰ্শন কৰাৰ হেঁচাই খ্ৰীষ্টান মিচনেৰী সকলক শিক্ষা আৰু পাছৰ পৰ্যায়ত শোষিত শ্ৰেণী আৰু বিধৱা সকলৰ সামাজিক উদ্দেশ্য/অভিপ্ৰায়ক গভীৰ ভাৱে ল'বলৈ বাধ্য কৰাইছিল। খ্ৰীষ্টান মিচনেৰীসকলে অস্পৃশ্যসকলৰ সংগঠনৰ এক প্ৰভাৱশালী গোষ্ঠীৰ নেতৃত্ব দিছিল।

অস্পৃশ্য লোকসকলৰ বাহিৰেও খ্ৰীষ্টান মিচনেৰীসকলে সৱলীকৰণৰ লক্ষ্যৰে আন এটা গোট আকোৱালি লৈছিল। এইসকল আছিল—বিধৱাসকল। তেওঁলোকে বিধৱাসকলক শিক্ষা দিয়া আৰম্ভ কৰিছিল আৰু পাছত তেওঁলোকক শিক্ষক আৰু ঔষধৰ বিধান দিওঁতা হিচাপে মিচনেৰী প্ৰতিষ্ঠান সমূহত নিয়োগ কৰিছিল। ভাৰতীয় সমাজৰ পৰিয়ালসমূহে আৰম্ভণিতে যদিও মিচনেৰীসকলৰ এই ব্যৱস্থাক বাধা দিছিল, ক্ৰমান্বয়ে বিধৱাসকলৰ শিক্ষা আৰু কৰ্মসংস্থাপনক গ্ৰহণ কৰিছিল যিহেতু ই বিধৱাসকলৰ যত্ন লোৱাৰ তেওঁলোকৰ নিজৰ বোজা হ্ৰাস কৰিছিল। ইয়াত পুনৰ দুয়োপক্ষই বিধৱাসকলৰ শিক্ষাৰ পৰা লাভবান হৈছিল। কিছু পৰিমাণে ই মিচনেৰী বিদ্যালয় সমূহত খ্ৰীষ্টান শিক্ষকৰ প্ৰয়োজন পূৰণ কৰিছিল। তেওঁলোকে সতী প্ৰথা ৰোধ নিষেধ কৰা, ছোৱালীৰ শিক্ষাৰ উত্তৰণ আৰু বিধৱা বিবাহৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে হস্তক্ষেপ কৰিছিল।

- **খ্ৰীষ্টান মিচনেৰী শিক্ষাৰ প্ৰভাৱ**

ভি. সুব্ৰমণিয়ামে কৈছে যে ভাৰতৰ জাতীয়তাবাদ প্ৰথমতে ভাৰতত খ্ৰীষ্টান মিচনেৰীসকলৰ কাৰ্যৰ বিপৰীতে এক ধৰ্মীয় মতামতত সংঘটিত হৈছিল। তেখেতে তেখেতৰ মন্তব্যক শুদ্ধ প্ৰমাণিত

কৰিবলৈ এইটো মন্তব্য আগবঢ়াইছে যে ৰাজা ৰামমোহন ৰায়, এনি বেচান্ট, বাল গংগাধৰ তিলক, মহাত্মা গান্ধী আৰু আন বহুতো লোকে দেশবাসীৰ ৰাজনৈতিক সচেতনতাৰ কাৰণে ধৰ্মীয় প্ৰতীক ব্যৱহাৰ কৰিছিল। প্ৰতিবাদী ধৰ্মীয় মতবাদ বেছি কাৰ্যকৰী আছিল কিয়নো খ্ৰীষ্টান ধৰ্মতো শাসকসকলৰ ধৰ্ম আছিল বুলি এটা ধাৰণা আছিল। যদিও ইংৰাজসকল খ্ৰীষ্টান মিচনেৰী সকলক অনাত অতি সাৱধান আছিল আৰু মিচনেৰী কাৰ্যকলাপক উৎসাহিত কৰা নাছিল, স্থানীয় লোকসকলৰ কাৰণে খ্ৰীষ্টান মিচনেৰী সকলৰ ঔপনিবেশিক চৰকাৰৰ লগত সম্বন্ধক এৰাই চলিব পৰা নগৈছিল। ঔপনিবেশিক চৰকাৰ আৰু খ্ৰীষ্টান মিচনেৰী দুয়োটাৰে কাৰ্যকলাপ পৰস্পৰৰ কাৰণে ক্ৰমবৰ্দ্ধমান ঋণাত্মক প্ৰভাৱ আছিল। মিচনেৰী সকলৰ ধৰ্মান্তকৰণৰ কাৰ্যকলাপ, আৰু শিক্ষাক ধৰ্মান্তৰকৰণ সম্পন্ন কৰা পন্থা হিচাপে ব্যৱহাৰ কৰাৰ লগতে দলিত আৰু মহিলাসকলৰ শিক্ষাই ভাৰতৰ এখন বিন্যাসৰ (Hierarchical) সমাজত দেশৰ উচ্চ শ্ৰেণীটোৰ সুৰক্ষিত কৰি ৰখা আগ্ৰহক আঘাত হানিছিল, অন্যহাতেদি প্ৰশাসনৰ উচ্চ পদবীত দেশীয় সকলতকৈ আগত ইংৰাজ লোকক নিয়োগ কৰা চৰকাৰী নীতিত প্ৰতিফলন ঘটা পক্ষপাতিত্বই সমাজৰ একে শ্ৰেষ্ঠ শ্ৰেণীটোৰ মাজত অপমানৰ সূচনা হৈছিল, যি সেই পদবীসমূহৰ দাবীদাৰ আছিল। এই কাৰকসমূহে একেলগে বিপৰীত ধৰ্মীয় মতবাদৰ ওপৰত জাতীয়তাবাদী কাৰ্যকলাপৰ আগুৱাই নিছিল। দলিত সম্প্ৰদায়ৰ সামাজিক কল্যাণৰ ক্ষেত্ৰত খ্ৰীষ্টান মিচনেৰীসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে সমাজত প্ৰচলিত আসোঁৱাহসমূহৰ লগত যুঁজিবৰ বাবে শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল।

## ১১.৬ আধুনিক ভাৰতৰ শিক্ষাবিদসকলৰ অৰিহনা

- **স্বামী বিবেকানন্দ**

স্বামী বিবেকানন্দ কেৱল এজন সমাজ সংস্কাৰকেই নাছিল, লগতে এজন শিক্ষাবিদ আছিল। তেওঁ ১৮৬৩ চনত কলিকতাত জন্মলাভ কৰিছিল। যদি শিক্ষাক সামাজিক পৰিৱৰ্তনৰ আটাইতকৈ শক্তিশালী সঁজুলি বুলি গণ্য কৰা হয়, শিক্ষাৰ তত্বত তেওঁৰ অৱদানৰ গুৰুত্ব সৰ্বোচ্চ।

তেওঁৰ মতে শিক্ষা এক অবিৰত প্ৰক্ৰিয়া, ই জীৱনৰ সকলো দিশ সামৰি ল'ব লাগে - দৈহিক, বস্তুবাদী, আৱেগিক, নৈতিক আৰু আধ্যাত্মিক। আধুনিকৰণৰ প্ৰতি তেওঁৰ মনোভাৱ হৈছে যিকোনো এটা কৰাৰ আগতে জনগণক শিক্ষিত কৰিব লাগে। তেওঁ ভাৰতৰ পৰা চাৰিটা অপযশ আঁতৰাব বিচাৰিছিল, ১)পণ্ডিতশ্ৰেণীৰ ধূৰ্তালি, ২)দাৰিদ্ৰতা, ৩)অজ্ঞতা, ৪)জ্ঞানীসকলৰ স্বৈৰাচাৰিতা।

বৰ্তমান তেওঁৰ শিক্ষামূলক ভাৱধাৰাৰ বহুত গুৰুত্ব আছে কিয়নো আধুনিক শিক্ষাই মানৱ জীৱনৰ মূল্যবোধৰ লগত ইয়াৰ সংযোগ বহু পৰিমাণে হেৰুৱাইছে। সেয়েহে, তেওঁ পৰামৰ্শ আগবঢ়াইছে যে শিক্ষা মানুহৰ মগজুত অলপমান ঘটনা ঠাচি ভৰাই (stuffing) দিয়াৰ কাৰণে হোৱা উচিত নহয়, কিন্তু মানুহৰ মন সংস্কাৰ কৰাৰ লক্ষ্যৰে হোৱা উচিত। তেওঁৰ কাৰণে প্ৰকৃত

শিক্ষা, পেছা বৃত্তিৰ কাৰণে নহয় কিন্তু দেশলৈ অৱদানৰ কাৰণে। এই মহান ধৰ্মীয় সন্ত আৰু সমাজ সংস্কাৰকজনৰ ১৯০২ চনত মাত্র ৩৯ বছৰ বয়সত মৃত্যু হৈছিল।

- **ৰাজা ৰামমোহন ৰায়**

আধুনিক ভাৰতৰ নির্মাতা, মহান ধৰ্মীয় আৰু সমাজ সংস্কাৰ আন্দোলন, ব্রাহ্ম সমাজৰ প্রতিষ্ঠাতা, ৰাজা ৰামমোহন ৰায়ে সামাজিক ব্যাধি যেনে সতীদাহ প্রথাৰ নিবাৰণত এক নির্ণায়ক ভূমিকা পালন কৰিছিল। ইংৰাজী, আধুনিক চিকিৎসাবিদ্যা, প্রযুক্তিবিদ্যা আৰু বিজ্ঞানৰ অধ্যয়নক জনপ্রিয় কৰি তুলি ভাৰতৰ সমাজ ব্যৱস্থাৰ বহুতো পৰিৱর্তন সাধনৰ পোষকতা কৰিছিল। ৰাজা ৰামমোহন ৰায় এজন ভাৰতীয় ধৰ্মীয়, সামাজিক, শিক্ষা সংস্কাৰক আৰু মানৱতাবাদী আছিল, যি পৰম্পৰাগত হিন্দু সংস্কৃতিক প্রত্যাহ্বান জনাইছিল আৰু বৃটিছ শাসনৰ অধীনত ভাৰতীয় সমাজ ব্যৱস্থাৰ প্রগতিৰ ধাৰা দেখুৱাইছিল। ৰাজা ৰামমোহন ৰায়ক সঁচাকৈয়ে ভাৰতৰ আধুনিক শিক্ষা ব্যৱস্থাৰ অগ্রদূত পূর্বসুৰী বুলি ক'ব পাৰি। তেওঁৰ নৈতিক গুৰুত্ব আৰু শক্তি, তেওঁৰ কল্পনাৰ সাহসিকতাৰ বাবে ৰাজা ৰামমোহন ৰায়ক কেৱল এজন 'মহান শিক্ষা সংস্কাৰকেই নহয় লগতে দেশ নির্মাতা' হিচাপে আখ্যা দিয়া হৈছিল। তেওঁ উপলব্ধি কৰিছিল যে ভাৰতৰ আটাইতকৈ প্রয়োজন আছিল প্রাচ্য আৰু পাশ্চাত্যৰ সংস্কৃতিৰ এক সংমিশ্রণ।

তেওঁ বিশ্বাস কৰিছিল যে পূব আৰু পশ্চিমীয়া সংস্কৃতিৰ সংমিশ্রণ প্রগতিৰ বাবে আৱশ্যকীয় আছিল। তেওঁ পশ্চমীয়া বিজ্ঞান আৰু সাহিত্যৰ জ্ঞানৰ সমর্থন কৰিছিল। তেওঁ ভাৰতীয় শিক্ষিত যুৱকসকলক এক গোট কৰাত ইংৰাজী শিক্ষাৰ সমর্থনত এটি জনমত সৃষ্টি কৰিছিল। তেওঁ পশ্চিমীয়া শিক্ষাৰ ধাৰাৰে লর্ড উলিয়াম বেণ্টিংৰ চৰকাৰক ইউৰোপীয় শিক্ষঙ্গ আৰম্ভ কৰাত সহায় কৰিছিল। আধুনিক শিক্ষা ব্যৱস্থাত ৰামমোহন ৰায়ৰ মহান অৱদান আছিল তেওঁ আধুনিক ভাৰতীয় ভাষাৰ শিক্ষাৰ ওপৰত মনোযোগ। মহিলাৰ শিক্ষাৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিছিল ৰায়ে। যদিও এই কথা মিচনেৰীসকলে আগবঢ়াইছিল, কিন্তু ৰাজা ৰামমোহন ৰায়ে হিন্দুসকলৰ মাজত ইয়াক জনপ্রিয় কৰিছিল। তেওঁ মন্তব্য কৰিছিল যে ভাৰতীয় শিক্ষা পৰম্পৰা আৰু বিশ্বাসৰ অনুৰূপ আছিল মহিলাৰ শিক্ষা। ব্রাহ্ম সমাজে হিন্দু সমাজত প্রচলিত শিক্ষাৰ ক্ষেত্রত থকা বহু পক্ষপাতমূলক প্রথাক প্রতিৰোধ কৰাত মহান সেৱা আগ বঢ়াইছিল।

ৰামমোহনে সমাজ সংস্কাৰৰ বাবে শিক্ষাক এক আহিলা হিচাপে বিশ্বাস কৰিছিল। ১৮১৭ চনত, ডেভিদ হেয়াৰৰ (David Hare) সহযোগত, তেওঁ কলিকতাত হিন্দু কলেজ প্রতিষ্ঠা কৰিছিল। ১৮২৬ চনত তেওঁ বেদান্ত কলেজৰ প্রতিষ্ঠা কৰিছিল য'ত প্রাচ্য আৰু পাশ্চাত্যৰ সংমিশ্রিত জ্ঞানৰ বাবে জোৰ দিছিল।

শিক্ষাৰ নতুন ব্যৱস্থাটোত, তেওঁ ব্যৱহাৰিক বিষয়ৰ যেনে গণিত, দর্শন, ৰসায়ন বিজ্ঞান আৰু শৰীৰ তত্বৰ লগত অন্যান্য প্রয়োজনীয় বিজ্ঞানৰ ব্যৱহাৰৰ আৰম্ভণি সূচনা কৰিছিল। লগতে তেওঁ বিভিন্ন ভাষাত ৰচনা কৰিছিল। তেওঁ প্রাচীন ভাৰতীয় ধৰ্মীয় আৰু দর্শনৰ কিতাপ বেংগললৈ অনুবাদ কৰিছিল। তেওঁ বাতৰিককাত 'সংসদ কৌমুদী' আৰু 'মিৰাতুল আকবৰী'ক তেওঁৰ ধাৰণাক ৰাইজৰ মাজলৈ লৈ যোৱাত ব্যৱহাৰ কৰিছিল।

- **মৌলানা আবুল কালাম আজাদ**

২০০৮ চনৰে পৰা ১১ নৱেম্বৰক জাতীয় শিক্ষা দিবস হিচাপে পালন কৰা হয়। স্বাধীন ভাৰতৰ প্ৰথম শিক্ষা মন্ত্ৰী মৌলানা আবুল কালাম আজাদৰ জন্ম ১৮৮৮চনৰ ১১নৱেম্বৰত হৈছিল।

স্বাধীনোত্তৰ ভাৰতত শিক্ষাক দেশ গঢ়াৰ এক আধাৰ (foundation) খুঁটি হিচাপে আখ্যা দিয়া হৈছিল। সৰ্বভাৰতীয় শিক্ষাৰ ওপৰত বক্তৃতা দি ১৯৪৮চনৰ ১৬ জানুৱাৰীত আবুল কালামে কৈছিল, 'আমি এটা ক্ষণৰ কাৰণেও পাহৰিব নালাগে প্ৰত্যেক ব্যক্তিয়ে অন্ততঃ মৌলিক শিক্ষা লাভ কৰাটো এটা জন্মস্বত্ব যাৰ অবিহনে তেওঁ নাগৰিক হিচাপে নিজৰ কৰ্তব্য সম্পূৰ্ণভাৱে সম্পন্ন কৰিব নোৱাৰে।' যেতিয়া তেওঁক মুক্ত ভাৰতৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব দিয়া হৈছিল সেই সময়ত দেশখন ব্যাপক নিৰক্ষৰতাত ভুগিছিল। দেশৰ বিকাশত শিক্ষাৰ ভূমিকাক উপলব্ধি কৰি মৌলানা আবুল কালাম আজাদে, শিক্ষাৰ কেন্দ্ৰীয় পৰামৰ্শদাতা নিকায়ৰ অধ্যক্ষ হিচাপে, প্ৰাপ্তবয়স্ক শিক্ষা আৰু স্বাক্ষৰতাত প্ৰেৰণা যোগাইছিল। তেওঁ কেৱল প্ৰাথমিক শিক্ষাতেই গুৰুত্ব আৰোপ কৰা নাছিল লগতে মাধ্যমিক শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বিভিন্ন উদ্যোগ লোৱাৰ পোষকতা কৰিছিল।

- **চাৰ চৈয়দ আহমেদ খান**

ভাৰতৰ বাস্তৱবাদী মুছলীম, মুছলীম সংস্কাৰক আৰু ১৯শ শতিকাৰ দাৰ্শনিক, চাৰ চৈয়দ আহমেদ খান ১৮১৭ চনৰ ১৭অক্টোবৰত দিল্লীত জন্ম হৈছিল। তেওঁ বিশ্বাস কৰিছিল যে মুছলীম সকলৰ ভৱিষ্যত তেওঁলোকৰ গোড়ামী দৃষ্টিভংগীৰ কাৰণে বিনাশ হ'ব। সেইবাবে তেওঁ বিদ্যালয় স্থাপন, আলোচনী প্ৰকাশনৰ দ্বাৰা পশ্চিমীয়া শৈলীৰ বৈজ্ঞানিক শিক্ষাৰ পৃষ্ঠপোষকতা কৰিছিল।

চাৰ চৈয়দ আহমেদ খান কেৱল গণতান্ত্ৰিক শিক্ষা তত্বৰ পুংখানুপুংখভাৱে বিবেচনা কৰাই নহয় লগতে শিক্ষাৰ ক্ষেত্ৰত ইউৰোপৰ সৈতে সমতা লাভ কৰা কাৰণে নেৰানেপেৰা প্ৰচেষ্টা চলাইছিল।


সম্ভৱত, এইটো ক'লে অতিৰঞ্জিত কৰা নহ'ব যে চাৰ চৈয়দ আহমেদ খান সমপৰ্যায়ৰ সকলৰ মাজত ভাৰতীয় সকলক শিক্ষিত কৰাত ক্ৰান্তিকাৰী পৰিৱৰ্তন অনাত দেখুওৱা প্ৰৱল উদ্যম আৰু নিজকে উচৰ্গা কৰাত প্ৰথম আছিল। চৈয়দ খানে মন্তব্য কৰিছিল যে শিক্ষাৰ অজ্ঞতা আৰু অভাৱৰ বাবে ভাৰত বিভিন্ন প্ৰাকৃতিক সম্পদত চহকী হোৱা স্বত্বেও ভাৰতীয়সকল দুখীয়া হোৱাৰ প্ৰধান কাৰণ আছিল।

মুছলীম ব্যক্তিগত আইনৰ ওপৰত তেওঁৰ মত স্পষ্ট আছিল আৰু চাৰ চৈয়দ আহমেদ খান মহিলাৰ শিক্ষাৰ অধিকাৰৰ এজন মহান সমৰ্থনকাৰী আছিল। বিবাহ বিচ্ছেদ আৰু মহিলাৰ অধিকাৰৰ প্ৰশ্নত অন্যান্য মুছলীম পণ্ডিতসকলতকৈ তেওঁৰ মত পৃথক আছিল আৰু তেওঁ লগতে মহিলাৰ বিৰুদ্ধে ঘৰুৱা হিংসাক কঠোৰ ভাষাৰে তেওঁ দোষী সাব্যস্ত কৰিছিল।

চাৰ চৈয়দে ১৮৬৩ চনত যুৱক সকলৰ মাজত বৈজ্ঞানিক মেজাজ শিকোৱা গঢ়াত 'বিজ্ঞান সমাজ' প্ৰতিষ্ঠা কৰিছিল, বিশেষকৈ মুছলীম যুৱক সকলৰ মাজত যিহেতু এইটো ধাৰণা কৰা

হৈছিল যে তেওঁলোক আধুনিক বৈজ্ঞানিক শিক্ষা অনুসৰণত পিছ পৰি ৰৈছিল যাক উত্তৰ ভাৰতৰ বেছিভাগ অঞ্চলতেই পশ্চিমীয়া আৰু ধৰ্মবিৰোধী হিচাপে বিবেচনা কৰা হৈছিল।

১৮৭৫ চনত চাৰ চৈয়দ মহম্মেদান এংল অৰিয়েণ্টল কলেজ প্ৰতিষ্ঠা কৰিছিল



**অগ্ৰগতিৰ নিৰীক্ষণ**

**খালী ঠাই পূৰ কৰক ঃ**

**প্ৰশ্ন** ১ ঃ ............. য়ে ১৮৬৩ চনত বৈজ্ঞানিক সমাজ (Scientific Society) প্ৰতিস্থা কৰিছিল।

**প্ৰশ্ন** ২ ঃ ............. আছিল প্ৰথম ভাৰতীয় যি ভাৰতত এক সংস্কাৰ আন্দোলন আৰম্ভ কৰিছিল।

**প্ৰশ্ন** ৩ ঃ স্থানীয় শিক্ষা ব্যৱস্থাৰ ত্ৰুটি আছিল ............. ।

**প্ৰশ্ন** ৪ ঃ ............... য়ে হিন্দু মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।



## ১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্ৰিটিছ ৰাজে ভাৰতত আৰম্ভ কৰা আধুনিক পশ্চিমীয়া শিক্ষা ব্যৱস্থাৰ বিষয়ে জ্ঞাত হ'ল।
- ভাৰতৰ শিক্ষাৰ বিকাশত আধুনিক ভাৰতীয় শিক্ষাবিদসকলৰ অৱদানৰ বিষয়ে জানিব পাৰিলে।



## ১১.৮ অধিক জানিবলৈ

**ইংৰাজী গ্ৰন্থ ঃ**

1) Desai, A. R.(2005). *Social Background of Indian Nationalism.* Popular Prakashan. New Delhi, India.

2) Ghosh, S.C.(2007). *History of Education in India.* Rawat Publications. New Delhi, India.

3) Seth, Sanjay.(2007). *Subject Lessons: The Western Education of Colonel India.* Duke University Press. London, U.K.




## ১১.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** চাৰ চৈয়দ আহমেদ খান।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজা ৰামমোহন ৰায়।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** সীমিত পাঠ্যক্ৰম।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজা ৰামমোহন ৰায়।



## ১১.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** স্বামী বিবেকানন্দ কোন আছিল?

**২ নং প্ৰশ্ন ঃ** ৰাজা ৰামমোহন ৰয় কোন আছিল?

**খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** ১৯২১ চনৰ কেন্দ্ৰীয় শিক্ষা পৰামৰ্শদাতা বৰ্ডৰ দুটা অনুমোদন উল্লেখ কৰক।

**২ নং প্ৰশ্ন ঃ** লৰ্ড কাৰ্জনৰ শিক্ষা নীতিৰ বিষয়ে চমু টোকা লিখক।

**গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)**

**১ নং প্ৰশ্ন ঃ** ব্ৰিটিছ শাসনৰ আগতে ভাৰতত প্ৰচলিত স্থানীয় শিক্ষা ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰক।

**২ নং প্ৰশ্ন ঃ** ভাৰতৰ শিক্ষাৰ আধুনিকীকৰণত মৌলানা আবুল কালাম আজাদৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰক।

*****